**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-09-2026 **Time :** 1715 Hrs.

**Assamese Evening Bulletin**

**Headlines**

०००००० 

১। আৰক্ষীত নতুনকৈ ১৫ৰ পৰা ২০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্যত মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান কঠোৰ হ'ব বুলি মুখ্যমন্ত্ৰীৰ সকীয়নী।

৩। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ দিন ঘোষণা।

আৰু

৪। কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ তামুলপুৰত ড্ৰেগন ফলৰ খেতি পৰিদৰ্শন।

০০০০০০

অসম আৰক্ষীত অনাগত সময়ত ১৫ ৰ পৰা ২০ হাজাৰ নতুন যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জ্যেষ্ঠ আৰক্ষী অধীক্ষক সন্মিলনৰ আজি প্ৰথম দিনা দীক্ষান্ত সমাৰোহত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে। তেওঁ কয়, যে বিগত ৫ বছৰত অসম আৰক্ষীত ২১ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছিল আৰু পৰৱৰ্তী ৫ বছৰতো এই ধাৰাবাহিকতা অক্ষুন্ন থাকিব।

বাইট-মুখ্যমন্ত্ৰী

ড° শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত, প্ৰমাণপত্ৰ লাভ কৰিবলগীয়া অসম আৰক্ষীৰ ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্টবলৰ বাবে আজিৰ দিনটো প্ৰাপ্তি আৰু গৌৰৱৰ দিন বুলি উল্লেখ কৰে। তেওঁ কয়, যে আধুনিক নিৰাপত্তা সঁজুলি আৰু চাইবাৰ নিৰাপত্তা সন্দৰ্ভত এই আৰক্ষীসকলে প্ৰশিক্ষণ লাভ কৰিছে। এই অভিজ্ঞতাই তেওঁলোকক প্ৰযুক্তিগতভাৱে সু-সজ্জিত কৰি তুলিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ ক্ষেত্ৰত সকলো শূন্য সহনশীল হ'ব লাগিব। তেওঁ বহুবিবাহ, বাল্য বিবাহৰ বিৰুদ্ধে নিৰন্তৰে যুঁজ দিবলৈ অসম আৰক্ষীক আহ্বান জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজ অধিক শক্তিশালী কৰাৰ কথা ঘোষণা কৰে। অসমৰ ভৌগোলিক অৱস্থিতি ম্যানমাৰ-বাংলাদেশৰ সীমান্তত হোৱাৰ বাবে মাদক দ্ৰব্য সৰবৰাহৰ ক্ষেত্ৰত অসম সংবেদনশীল এলেকা হৈ পৰিছে বুলি তেওঁ কয়। অৰুণাচলৰ চাংলাঙেৰে তিনিচুকীয়া হৈ মাদক দ্ৰব্য সৰবৰাহৰ নতুন পথ গঢ় লৈ উঠা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া, ডিব্ৰুগড়, বৰাক, গোলাঘাট, শিৱসাগৰত আৰক্ষীক অধিক কঠোৰ হোৱাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কাৰ্বি আংলং, ডিমা হাচাও আৰু নগাঁৱত মাদক দ্ৰব্যৰ প্ৰৱেশ ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজখন অধিক দৃঢ় আৰু তীব্ৰতৰ কৰি নৱপ্ৰজন্মৰ সুস্থ ভৱিষ্যৎ গঢ়ি তোলাটো অতি গুৰুত্বপূৰ্ণ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

(বাইট) (চি.এম)

অনুষ্ঠানত দিয়া ভাষণত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে স্মাৰ্ট আৰক্ষী আৰু আদৰ্শ আৰক্ষী প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ শক্তিশালী ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰশিক্ষণ সমাপ্ত কৰা এই আৰক্ষী কৰ্মীসকলে নতুন প্ৰযুক্তিৰে অপৰাধৰ বিৰুদ্ধে যুঁজ দিয়াৰ সুযোগ লাভ কৰিব।

অনুষ্ঠানত পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ আৰু জ্যেষ্ঠ আৰক্ষী বিষয়াসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে সন্মিলনত মাদক দ্ৰব্য সৰবৰাহ প্ৰতিৰোধক মূল বিষয় হিচাপে লোৱা হৈছে। তদুপৰি ৰাজ্যৰ আইন-শৃংখলা অধিক শক্তিশালী কৰাৰ বাবে অপৰাধ নিয়ন্ত্ৰণ, মহিলা আৰু শিশুৰ সুৰক্ষা, চাইবাৰ অপৰাধ ৰোধ, আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু অধিক জনমুখী আৰক্ষী ব্যৱস্থাৰ বিষয়ত আলোচনা কৰা হ'ব।

oooooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰীলয়ৰ অধীনৰ ভাৰতীয় নাৰিকল উন্নয়ন পৰিষদ, অসম কৃষি বিশ্ববিদ্যালয় আৰু কাঁহিকুছিৰ নাৰিকল গৱেষণা কেন্দ্ৰৰ উদ্যোগত তথা কৃষি বিজ্ঞান কেন্দ্ৰ দৰঙৰ সহযোগত আৰু মঙলদৈ যুৱ সংঘত বিশ্ব নাৰিকল দিৱস উদযাপন কৰা হয়। অনিশ্চয়তাৰ সময়ত নাৰিকল - খাদ্য, শক্তি আৰু জীৱিকা সংৰক্ষণ শীৰ্ষক বিষয়বস্তুৰে উদযাপন কৰা এই কৰ্যসূচীত নাৰিকল উন্নয়ন পৰিষদৰ গুৱাহাটীৰ ক্ষেত্ৰীয় কাৰ্যালয়ৰ সঞ্চালককে ধৰি ভালেকেইগৰাকী কৃষি বিজ্ঞানী উপস্থিত থাকে। সভাত নাৰিকলৰ চাহিদা, ইয়াৰ উপকাৰিতা আৰু বিজ্ঞানসন্মতভাৱে নাৰিকলৰ খেতিৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। কৃষি বিজ্ঞানীসকলে নাৰিকল উৎপাদনেৰে লাভবান হ'বলৈ উন্নত পদ্ধতিৰে এই খেতি কৰাৰ বাবে কৃষক আৰু কৃষক উৎপাদক প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলক আহ্বান জনায়।

oooooooo

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে আজি শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ দিন ঘোষণা কৰে। অহা ৩ অক্টোবৰত শিলচৰ পৌৰ নিগমৰ ৪২টা ৱাৰ্ডৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰয়োজন হ'লে ৫ অক্টোবৰত পুনৰ ভোটদান অনুষ্ঠিত হ'ব বুলি নিৰ্বাচন আয়োগে সদৰী কৰে। শিলচৰ পৌৰ সভাক পৌৰ নিগমলৈ উন্নীত কৰাৰ পাছত এইটোৱেই প্ৰথম নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ২০১৫ চনত শিলচৰ পৌৰ সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। ১১ ছেপ্তেম্বৰত মনোনয়ন পত্ৰ দাখিলৰ কৰাৰ অন্তিম দিন হিচাপে নিৰ্বাচন আয়োগে প্ৰকাশ কৰে। ১৪ ছেপ্তেম্বৰ মনোনয়ন পত্ৰ পৰীক্ষা আৰু সেইদিনাই প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচনী আয়োগে ১৭ ছেপ্তেম্বৰত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহ্বাৰ কৰা অন্তিম দিন ধাৰ্য কৰিছে। ৬ অক্টোবৰত ভোটগণনা আৰু ফলাফল প্ৰকাশ পাব। শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনক কেন্দ্ৰ কৰি ইতিমধ্যে ৰাজনৈতিক মহলত চৰ্চা আৰু তৎপৰতা আৰম্ভ হৈছে।

oooooooo

কৃষি আৰু জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি তামুলপুৰ জিলাৰ চেঁচাপানীত দৈমালু বসুমতাৰী নামৰ এগৰাকী উদ্যমী কৃষকৰ ড্ৰেগন ফলৰ খেতি পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে ৫ বিঘা ভূমিত ড্ৰেগন ফলৰ খেতিৰে বছৰি প্ৰায় ৬ লাখ টকা উপাৰ্জন কৰাৰ সমান্তৰালকৈ ৬ বিঘা মাটিত তামোলৰ বাগান আৰু তিল খেতিৰে স্বাৱলম্বী হৈ উঠা দৈমালু বসুমতাৰীৰ প্ৰয়াসৰ প্ৰশংসা কৰে। সামাজিক মাধ্যমৰ জৰিয়তে শ্ৰীহাজৰিকাই যুৱ প্ৰজন্মক এই কৃষকগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ব্যতিক্ৰমী কৃষিকৰ্মৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে অনাগত দিনত কৃষিকাৰ্যৰ জৰিয়তে বছৰি ২৫ৰ পৰা ৩০ লাখ টকা উপাৰ্জনৰ লক্ষ্যত চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে।

মন্ত্ৰী শ্ৰীহাজৰিকাই এই ভ্ৰমণৰ সময়তে বি টি চিৰ সদ্যপ্ৰয়াত উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীৰ বাসগৃহত উপস্থিত হৈ নেতাগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। তেওঁ লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

ooooooo

ৰহা অঞ্চলৰ ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ৰহা টোলগে'টত অঞ্চলটোত স্থানীয় বাসিন্দাসকলৰ টোল কৰ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এক ৰাজহুৱা জাননী যোগে এই কথা ঘোষণা কৰে। আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে, সোণাপুৰ টোলগে'টৰ আৰ্হিত ৰহাবাসীকো টোল কৰৰ পৰা সকাহ দিয়াৰ বাবে টোলগেট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছে। সেই অনুসৰি ৰহাৰ ৰণথলীত থকা টেলগে'টৰ ৭ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা

বাসিন্দাসকলৰ ব্যক্তিগত বাহনৰ টোলকৰ ৰেহাই দিয়া হ'ব। এই সুবিধা লাভ কৰিবৰ বাবে এই অঞ্চলৰ বাসিন্দাসকলে এখন বিশেষ অনুজ্ঞা পত্ৰৰ বাবে আৱেদন কৰিব পাৰিব।

0000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত থকা আই ই চি অভিযানৰ অংশ হিচাপে বজালী জিলাতো আজি এইছ্ আই ভি এইডছ আৰু যৌন সংক্ৰমিত ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বজালী জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত বাঘমাৰাৰ নৰ্থ কামৰূপ মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত তাহিৰ আলম মুখ্য অতিথি হিচাপে উপস্থিত থাকে। কাৰ্যসূচীৰ অংশ হিচাপে এইছ্ আই ভি সংক্ৰমণৰ কাৰণ, প্ৰতিৰোধৰ উপায়, সময় মতে পৰীক্ষা-নিৰীক্ষাত গুৰুত্ব আৰু চিকিৎসাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা হয়।

0000000

অসম অৰুণাচল সীমান্তৰ মিংমাং বদতিত যোৱা ১০ আগষ্টত সংঘটিত হিংসাত্মক ঘটনাৰ প্ৰতিবাদত ধেমাজিত দল সংগঠনে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। জিলাখনৰ ৭ টা জাতীয় সংগঠনৰ যৌথ মঞ্চ- ধেমাজী ঐক্যমঞ্চই স্থানীয় ৰাইজৰ সহযোগত আজি কাছাৰী ময়দানৰ সন্মুখত ৰাজহুৱা মুণ্ডন আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে এই ঘটনাৰে জড়িত দুৰ্বৃত্তক শীঘ্ৰে গ্ৰেপ্তাৰ, অসম অৰুণাচলৰ সীমা সমস্যাৰ সমাধান, অসমৰ মাটিত স্থাপন কৰা অৰুণাচলৰ নিৰাপত্তাৰক্ষীৰ শিবিৰ স্থানান্তৰকৰণ, আন্তৰাজ্যিক সীমা অঞ্চলত বাস কৰা অসমৰ প্ৰতিজন নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাকে ধৰি বিভিন্ন দাবী জনায়। তেওঁলোকে লগতে মিংমাং বদতিৰ ঘটনাত আহত হোৱা লোকসকলৰ এককালীন সাহায্য ২ লাখৰ পৰা ৫ লাখ টকালৈ বৃদ্ধি কৰাৰ বাবেও দাবী জনায়।

0000000

**সমাপ্ত**